



# পিপলান্ত্ৰি

## মৰুময় দেশত এক সেউজ আশাৰ নাম



ব্যতিক্ৰম | জিতুমণি পাঠক

এগৰাকী কন্যা সন্তানৰ আগমনে পৰিয়াল-পৰিজনৰ মুখবোৰ গোমা কৰি তোলাৰ পৰিৱেশ এতিয়াও বাস্তৱত ভাৰতীয় মানসিকতাৰপৰা আঁতৰি যোৱা নাই। সেয়েহে মাথোঁ কেৱল কন্যা সন্তান হোৱাৰ অপৰাধতেই এটি জীৱনে ভূমিষ্ঠ হোৱাৰ পূৰ্বেই এই পৃথিৱীৰপৰা মেলানি মাগিবলগীয়া হয়। আৰু নতুবা ভূমিষ্ঠ হ'লেও অশেষ লাঞ্ছনা-গঞ্জনাই দুৰ্বিষহ কৰি তোলে তেওঁলোকৰ জীৱনবোৰ। পুৱাৰ বাতৰি কাকতকেইখনে লিংগ বৈষম্যতাৰ বলি হোৱা ভাৰতীয় নাৰীসকলৰ মৰ্মন্তুদ কাহিনীৰ যি এক ভয়াৱহ প্ৰতিচ্ছবি কঢ়িয়াই আনে তেনে এক প্ৰেক্ষাপটত এই দেশ নাৰীৰ জীৱন ধাৰণৰ বাবে যে মুঠেই যে সুচল নহয়, তেনেকৈ ভবাৰ বাহিৰে আৰু আন ধৰণে ভবাৰ যেন কোনো অৱকাশ নাথাকেগৈ। যিফালেই চকু ফুৰাই চোৱা নাযাওক কিয়, শিক্ষিত বা অশিক্ষিত, ধনী বা দুখীয়া, গাঁও বা নগৰ— সকলোতেই নাৰী নিৰ্যাতনকাৰীৰ হাতোৰাৰ চাপ স্পষ্ট। এনে এক পৰিৱেশত নাৰী জনম লাভ কৰাটোৱেই এক অভিসম্পাত স্বৰূপ হৈ পৰিছে। কিন্তু ইয়াৰ মাজতে ৰাজস্থানৰ এটি সৰু অঞ্চলৰ গাঁওবাসীয়ে কন্যা সন্তান এটি জন্মলাভ কৰাৰ লগে লগে সেই দেৱশিশুটিক আদৰাৰ যি অভিনৱ প্ৰয়াস হাতত লৈছে সিয়ে সকলোৱে জ্ঞানচক্ষু মুকলি কৰি দিয়াৰ লগতে কঢ়িয়াই আনিছে মানৱতাৰ ৰেশ তথা দেশৰ ভৱিষ্যৎ নাৰীসকলৰ বাবে এক উজ্জ্বল আশাৰ কিৰণ।



ঠাইডোখৰৰ নাম পিপলান্ত্ৰি। শুষ্ক বালিয়ৰি ভূমিয়ে ক্ৰমাৎ উৰ্বৰতা কাঢ়ি নিয়া ৰাজস্থানৰ আন বৈচিত্ৰ্যহীন ঠাইবোৰৰ দৰে এডোখৰ মৰুময় অঞ্চল। কিন্তু এই বৈচিত্ৰ্যহীন ঠাইডোখৰে সম্প্ৰতি সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ হৈ পৰিছে, কিয়নো ইয়াতেই যেন পুনৰ উজ্জীৱিত হ'বলৈ লৈছে মৃত মানৱীয়তাই; কন্যা সন্তানৰ বাবে অনুৰ্বৰ এই দেশত সৃষ্টি হৈছে এক উৰ্বৰা ক্ষেত্ৰৰ। নাৰী যে সৃষ্টিৰ এক শক্তিশালী উপাদান তাকেই প্ৰতিপন্ন কৰিবলৈ এই অঞ্চলবাসীয়ে একক প্ৰচেষ্টাৰে ইয়াৰ বালিয়ৰি ভূমিত বোলাইছে সেউজীয়া বোল; সৃষ্টিৰ সেই অনন্য ৰং। যোৱা প্ৰায় ছবছৰমান ধৰি পিপলান্ত্ৰি গাঁও পঞ্চায়তে নিজ চিন্তাৰে আৰম্ভ কৰিছে এক অভিনৱ প্ৰকল্প— কন্যা সন্তানৰ জীৱন-ভৱিষ্যৎ সুৰক্ষিত কৰা তথা এই মৰুময় অঞ্চলক বনানিকৰণেৰে সেউজময় কৰি তোলা। যদিও শুনিবলৈ দুয়োটা ভিন্ন বিষয় যেন লাগে, কিন্তু প্ৰকৃততে দুয়োটাই ইটোৰ সৈতে সিটো সাঙোৰ খাই আছে ওতপ্ৰোতভাৱে। এই অভিনৱ প্ৰকল্পটি যিগৰাকী ব্যক্তিৰ মানস পুত্ৰ তেওঁ হ'ল পিপলান্ত্ৰি গাঁও পঞ্চায়তৰ ছৰপঞ্চ (মুখিয়াল) শ্যাম সুন্দৰ পালিৱাল।

কেইটিমান বছৰ আগতে আকস্মিকভাৱে পালিৱালৰ এগৰাকী কন্যাৰ মৃত্যু ঘটিছিল। কন্যা শোকত ব্যথিত পালিৱালে সেই সময়ত জীয়েক 'কিৰণ'ৰ স্মৃতি তেওঁৰ মানসপটত সজীৱ কৰি ৰাখিবলৈ জীয়েকৰ নামত ১১১ডাল গছপুলি ৰোপণ কৰে। তেওঁ কেৱল সেই গছপুলিবোৰ ৰোপণ কৰা নহয়, সেইবোৰ যাতে ভৱিষ্যতে সুন্দৰভাৱে জীয়াই থাকে সেয়াও নিজস্ব প্ৰয়াসেৰে নিশ্চিত কৰে। এয়াই আছিল আৰম্ভণি। পালিৱালে নিজৰ এই সুন্দৰ প্ৰয়াসক অলপ সাল-সলনি ঘটাই প্ৰত্যেক পিতৃ-মাতৃকে নিজৰ কন্যা সন্তান এটিৰ জন্মত এইদৰে ১১১টা গছপুলি ৰুবলৈ আহ্বান জনায়। পালিৱালে আশা কৰাতকৈ যেন পিপলান্ত্ৰিবাসীৰ সঁহাৰি আছিল অধিক উৎসাহজনক। নৱজাতক এটিৰ আগমনত ঘৰ এখনে যিবোৰ নীতি-নিয়ম পালন কৰে সেইবোৰৰ সৈতে যেন যোগ হ'ল আৰু এটি নতুন পৰম্পৰাৰ— এশ এঘাৰটা গছপুলি ৰোৱাৰ। অৱশ্যে এই পৰম্পৰা কেৱল প্ৰযোজ্য হ'ল নৱজাতকগৰাকী কন্যা সন্তান হ'লেহে। এটি কন্যা সন্তানৰ সৈতে পৃথিৱীখনক অধিক সেউজময় কৰি তোলাৰ পৰিকল্পনা নিঃসন্দেহে এক অনবদ্য কল্পনাৰ ফচল। এয়া সৃষ্টিশীলা মাতৃ জাতিৰ প্ৰতি যেন শ্ৰদ্ধা নিবেদনৰ এক অগতানুগতিক প্ৰয়াস। আজি পিপলান্ত্ৰিৰ পৰিৱেশ ক্ৰমে সেউজময় হৈ উঠিছে। এটি কন্যা সন্তানৰ জন্মৰ লগে লগে মৰুময় শুষ্কতাই ক্ৰমাৎ পশ্চাদ্ গমন কৰিবলৈ লৈছে। পিপলান্ত্ৰিৰ যিকোনো অঞ্চলত এটি কন্যা সন্তানৰ জন্মৰ লগে লগে যেন ইয়াৰ লোকসকলৰ হাতলৈ অনুৰ্বৰতাৰ বিপক্ষে যুঁজাৰ হেৰুওৱা শক্তি ওভতি আহিছে। সেয়েহে পিপলান্ত্ৰিত আজি কন্যা সন্তান অনাকাংক্ষিত নহয়, উপেক্ষিত নহয়। কাৰণ এটি এটি কন্যা সন্তানে ইয়ালৈ কঢ়িয়াই আনিছে অলেখ সেউজময় সম্ভাৱনীয়তা।

পিপলান্ত্ৰিত সৃষ্টি হোৱা এই অভূতপূৰ্ব বিপ্লৱত আজি অংশীদাৰ হৈছেহি সমাজৰ বিভিন্ন স্তৰৰ লোক। প্ৰবীণ গান্ধীবাদী নেতা আন্না হাজাৰেও আহি পৰিভ্ৰমণ কৰি গৈছেহি এই ঠাই। মুগ্ধ হৈছে মানৱ প্ৰকৃতিৰ এই অনুপম সমন্বয়ত। পিপলান্ত্ৰিৰ লোকে আজি একেডাল গছক নিজৰ সন্তানৰ দৰে মৰম কৰে, যত্ন তথা প্ৰতিপালন কৰে। পিপলান্ত্ৰি গাঁও পঞ্চায়তে নিশ্চিত কৰি দিছে যে কন্যা সন্তানটি জন্ম হোৱাৰ লগে লগে পিতৃ-মাতৃয়ে কেৱল ১১১ডাল গছ ৰুইয়েই নিজৰ দায়িত্ব সামৰিব নোৱাৰিব। তেওঁলোকে ইয়াৰ সঠিক প্ৰতিপালন তথা যত্ন কৰিব লাগিব নিজৰ সন্তানটিক কৰাৰ দৰে। কন্যা সন্তানটি প্ৰাপ্ত বয়স্ক নোহোৱালৈকে গছ আৰু সন্তানটিৰ সমানে পৰিচৰ্যা চলি থাকিব লাগিব। এগৰাকী কন্যা সন্তানৰ প্ৰতি ভাৰতৰ অন্যান্য প্ৰান্তত যিদৰে পৰিয়াল তথা সমাজে অৱহেলাৰ ভাব পোষণ কৰে, তেনে দোষৰপৰা পিপলান্ত্ৰিও কিছু বছৰ আগলৈকে মুক্ত নাছিল। কিন্তু পিপলান্ত্ৰি গাঁও পঞ্চায়তৰ এক সুন্দৰ পদক্ষেপে সেই পৰিৱেশ যেন ক্ৰমাত সলনি কৰি আনিছে। গাঁও পঞ্চায়তৰ তৰফৰপৰা গঠন কৰি দিয়া এক বিশেষ কমিটীয়ে এই অঞ্চলৰ যিবোৰ পৰিয়ালত কন্যা সন্তানৰ প্ৰতি অৱহেলাৰ ভাব পোষণ কৰাৰ চিহ্ন দেখা পাই তেনে পৰিয়ালবোৰ বাছি উলিয়ায়। তেনে পৰিয়ালত গাঁওবাসী আৰু পঞ্চায়তে মিলি মুঠ ৩১ হাজাৰ টকা সংগ্ৰহ কৰি ছোৱালীজনীৰ নামত ২০ বছৰলৈ ফিক্সড্ ডিপ'জিট কৰি দিয়ে। অৱশ্যে ইয়াৰ বাবে পিতৃ-মাতৃয়ে এখন শপতনামাত স্বাক্ষৰ কৰিবলগীয়া হয় য'ত তেওঁলোকে লিখিতভাৱে কথা দিব লগা হয় যে তেওঁলোকে কোনো কাৰণতেই নিজৰ ছোৱালীক আইনে নিৰ্দ্ধাৰণ কৰি দিয়া বয়সৰ আগতে বিয়া নিদিব। তদুপৰি ছোৱালীজনীৰ প্ৰয়োজনীয় শিক্ষা-দীক্ষা তথা গছবোৰৰ উপযুক্ত পৰিচৰ্যাৰ কথাও এই শপতনামাত উল্লেখ থাকে। কন্যা সন্তানটিৰ জন্মৰ লগে লগে লাভ কৰা এইখিনি আৰ্থিক সকাহে লাহে লাহে যেন পিপলান্ত্ৰিবাসীৰ মনত কন্যা সন্তানৰ প্ৰতি থকা পূৰ্বৰ ধাৰণা সলনি কৰি পেলাইছে। তদুপৰি তেওঁলোকে ৰোৱা গছবোৰৰ পৰাও ইতিমধ্যে তেওঁলোকে উৎপাদন লাভ কৰিবলৈ আৰম্ভ কৰিছে। ই তেওঁলোকলৈ আগবঢ়াইছে আন এক ধৰণে আৰ্থিক সহযোগ। এনে পৰিপ্ৰেক্ষিতত পিপলান্ত্ৰিত কন্যা সন্তানগৰাকী হৈ পৰিছে লক্ষ্মী স্বৰূপা। সলনি হ'বলৈ লৈছে কন্যা সন্তানৰ প্ৰতি থকা তেওঁলোকৰ পূৰ্বৰ মানসিকতাৰ। সেয়েহে পিপলান্ত্ৰিত আজি কন্যা সন্তান এটিৰ জন্ম হ'লে কাৰো মুখবোৰ গোমা হৈ নপৰে, বৰঞ্চ সমগ্ৰ অঞ্চলটিক ঢৌৱাই যায় এক আনন্দৰ বন্যাই। কন্যা সন্তান এটিৰ প্ৰতি আজিও মধ্যযুগীয়া মানসিকতা প্ৰদৰ্শন কৰা এই ভাৰতবৰ্ষত পিপলান্ত্ৰিত হ'ব পাৰে আমাৰ বাবে এক প্ৰেৰণাৰ উৎস। প্ৰকৃততে পুত্ৰই হওঁক বা কন্যাই হওঁক কোনেও নিজৰ জন্মৰ সৈতে কঢ়িয়াই নানো সৌভাগ্য বা দুৰ্ভাগ্যৰ ভাৰ। আমাৰ পংগু মানসিকতা তথা ক্ষয়িষ্ণু সমাজ ব্যৱস্থাই তেওঁলোকৰ গাত আঁৰি দিয়ে এনে এক প্ৰতীকীৰ। কিন্তু আমাৰ মানসিকতা সামান্য সলনি কৰিব পাৰিলেই এই দুৰ্ভাগ্যৰ প্ৰতীকী হিচাপে গ্ৰহণ কৰা সকলো যে সৌভাগ্যৰ স্বৰূপ হৈ ধৰা দিব পাৰে তাৰে নিদৰ্শন হ'ল পিপলান্ত্ৰি। পিপলান্ত্ৰিৰ এই সেউজময় চিন্তাৰ ফচল যদি দেশৰ অন্য প্ৰান্তলৈও বিয়পি পৰে তেন্তে লিংগ বৈষম্যৰ ক্ষেত্ৰত এক লজ্জাজনক স্থানত অৱস্থান কৰা ভাৰতবৰ্ষৰ ভৱিষ্যতৰ প্ৰতিচ্ছবিয়েই সলনি হৈ যাব বুলি আশা কৰিব পাৰি।

ম'বাইল নং ৯৮৫৪০-১৮১১৭